# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-11-2025
**Time :** 0900 Hrs.

## *Assamese Morning Bulletin*
## HEADLINES

১। চাহ উদ্যোগৰ ইতিহাসত যুগান্তকাৰী পৰিৱৰ্তনৰ সূচনা কৰি বিধানসভাত চাহ শ্ৰমিকক ভূমিৰ অধিকাৰ প্ৰদান সম্পৰ্কীয় বিধেয়ক গৃহীত।

২। ৬ জনগোষ্ঠীৰ জনজাতিকৰণ সম্পৰ্কীয় মন্ত্ৰীগোটৰ প্ৰতিবেদন আজি বিধানসভাত দাখিল।

৩। ৰাজ্যৰ স্থায়ী চৰসমূহৰ উপগ্ৰহীয় পদ্ধতিৰ জৰীপেৰে ভূমিপট্টা আৱণ্টণৰ বিবেচনা ৰাজ্য চৰকাৰৰ।

৪। কিংবদন্তি অভিনেতা ৰজনী কান্তক বিশেষ সন্মান প্ৰদৰ্শনেৰে ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ সামৰণি।

*আৰু*

৫। লক্ষ্ণৌত অনুষ্ঠিত ছৈয়দ মোদী আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাত তনভী শৰ্মা, উন্নতি হুডা আৰু কিদাম্বী শ্ৰীকান্তৰ ছেমি ফাইনেলত স্থান নিশ্চিত।

০০০০০০০

অসমৰ ২০০ বছৰীয়া চাহ উদ্যোগৰ ইতিহাসত যুগান্তকাৰী পৰিৱৰ্তনৰ সূচনা কৰি কালি অসম বিধানসভাত চাহ বাগিচাৰ শ্ৰমিকক ভূমিৰ অধিকাৰ প্ৰদান সম্পৰ্কীয় এখন বিধেয়ক গৃহীত হয়। ভূমিৰ উৰ্ধসীমা নিৰ্ধাৰণ আৰু স্বত্বপ্ৰদান সংশোধনী বিধেয়ক ২০২৫ শীৰ্ষক এই বিধেয়কৰ জৰিয়তে বাগিচাৰ শ্ৰমিকসকলক ভূমিৰ অধিকাৰ প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ ফলত ৩ লাখ ৩৩ হাজাৰৰো অধিক ভূমি স্বত্বহীন চাহ বাগিচাৰ শ্ৰমিকে ভূমি অধিকাৰ লাভ কৰিব। অৱশ্যে এই বিধেয়কত জলহা চাহ বাগিচাৰ শ্ৰমিকসকলক অন্তৰ্ভুক্ত কৰা হোৱা নাই। ইয়াৰ লগতে এই সংশোধনী বিধেয়কে অন্য কৃষি কাৰ্যত জড়িত চাহ শ্ৰমিক জনগোষ্ঠীৰ লোকসকলক অন্তৰ্ভুক্ত কৰা নাই। উল্লেখযোগ্য যে, সম্প্ৰতি চাহ বাগিচাত কৰ্মৰত শ্ৰমিকসকলে স্পষ্ট আইনী অধিকাৰ নাইবা সাংবিধানিক সুৰক্ষা অবিহনে ভূমি দখল কৰি আছে। চাহ বাগিচাৰ কৰ্মী অথবা শ্ৰমিক হ'লেহে জনগোষ্ঠীটোৰ এজন ব্যক্তিক বাগিচাৰ এটা আৱাস গৃহ আৱণ্টন কৰা হৈছিল। পৰিয়ালৰ যিকোনো এজন ব্যক্তি বাগিচাত চাকৰি কৰি থাকিলেহে তেওঁলোকেহে সেই ঘৰপ্ৰাপ্তিৰ যোগ্যতা আৰহণ কৰিছিল। ইয়াৰ ফলত প্ৰজন্মৰ পাছত প্ৰজন্ম এটা শ্ৰমিক পৰিয়ালৰ সদস্যসকলে ভূমি অধিকাৰৰ কাৰণেই বাগিচাৰ চাকৰিৰ পৰা ওলাই আহিব পৰা নাছিল বুলি মুখ্যমন্ত্ৰী ডং শৰ্মাই কালি সদনত উল্লেখ কৰে। এই নতুন ভূমিপট্টা ব্যৱস্থাই তেওঁলোকক স্থায়ীভাৱে ভূমি বন্দোবস্তিত সহায় কৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে দাবী কৰে। তেওঁ লগতে কয়, যে ইয়াৰ ফলত স্থায়ীভাৱে গৃহ নিৰ্মাণ কৰাৰ লগতে ভূমি সম্পৰ্কত তেওঁলোকৰ অসুৰক্ষিত মনোভাব হ্ৰাস পাব।

মুখ্যমন্ত্ৰীয়ে কয়, যে ভূমিৰ পট্টা লাভ কৰাৰ পাছত এজন শ্ৰমিকে চাহ বাগিচাৰ ভূমি ২০ বছৰ পৰ্যন্ত বিক্ৰী কৰিব নোৱাৰিব। ২০ বছৰৰ পাছত ভূমি বিক্ৰী কৰিলেও সেয়া বাগিচাৰ আন শ্ৰমিককহে বিক্ৰী কৰিব পাৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

*-বাইট-*

০০০০০০০

৬ জনগোষ্ঠীৰ জনজাতিকৰণ সম্পৰ্কীয় মন্ত্ৰীগোটৰ প্ৰতিবেদন  আজি বিধানসভাত দাখিল কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি এই কথা বিধানসভাত প্ৰকাশ কৰে। তেওঁ লগতে ৬ জনগোষ্ঠীৰ জনজাতিকৰণ সম্পৰ্কীয় এই প্ৰতিবেদনে চাহ জনগোষ্ঠী আৰু আদিৱাসীসকললৈ ভাল খবৰ কঢ়িয়াই আনিব বুলিও আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে, ৰাজ্যত ৬টা জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰসংগত গঠন কৰা মন্ত্ৰী গোটে বুধবাৰে ৰাজ্যিক মন্ত্ৰীসভাত প্ৰতিবেদন দাখিল কৰিছিল। মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰীয়ে এই প্ৰতিবেদনখনক মন্ত্ৰীসভাই অনুমোদন দিছে বুলি সংবাদমেলক অৱগত কৰিছিল। এই প্ৰতিবেদনে বৰ্তমানৰ জনজাতিসকলৰ অধিকাৰ আৰু সাংবিধানিক সুৰক্ষাৰ ক্ষেত্ৰত কোনো অসুবিধাৰ সৃষ্টি নকৰাকৈ অন্যান্য জনগোষ্ঠীসমূহৰ আশা-আকাংক্ষাক প্ৰতিনিধিত্ব কৰিব পাৰিব বুলি ড° শৰ্মাই উল্লেখ কৰে। জনজাতি পৰিক্ৰমা বিভাগে ইয়াৰ পাছত এই প্ৰতিবেদন অসম বিধানসভালৈ প্ৰেৰণ কৰে আৰু অধ্যক্ষৰ অনুমতি সাপেক্ষে প্ৰতিবেদনখন আজি বিধানসভাত দাখিল কৰা হ'ব।

০০০০০০০

ৰাজ্যৰ স্থায়ী চৰসমূহত উপগ্ৰহীয় পদ্ধতিৰে জৰীপ কৰি ইয়াৰ বাসিন্দাসকলক উপকৃত কৰাৰ বাবে ৰাজ্য চৰকাৰে ২৫০ কোটি টকাৰ এটা প্ৰকল্প গ্ৰহণ কৰিছে। এই প্ৰকল্পৰ পৰিকল্পনাত মুখ্যমন্ত্ৰীয়ে অনুমোদন জনোৱাৰ পাছত কেন্দ্ৰীয় চৰকাৰলৈ অনুমোদনৰ বাবে প্ৰেৰণ কৰা হৈছে বুলি ৰাজহ মন্ত্ৰী কেশৱ মহন্তই কালি বিধানসভাত সদৰী কৰে। বিধায়ক আব্দুৰ ৰচিদ মণ্ডলে উত্থাপন কৰা এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয়, যে চলিত বৰ্ষৰ ভিতৰতে উপগ্ৰহীয় পদ্ধতিৰে জৰীপ সম্পূৰ্ণ কৰিব পৰা যাব। ইয়াৰ দ্বাৰা স্থায়ী চৰসমূহৰ নিৰ্ধাৰণো সম্ভৱ হ'ব। ইয়াৰ পাছত এই চৰসমূহৰ বাসিন্দাসকলক মাটিৰ পট্টা দিয়াৰ কথাও বিবেচনা কৰিব পৰা যাব। ইতিমধ্যে লখিমপুৰ আৰু ধেমাজি জিলাত জৰীপ নোহোৱা গাঁওসমূহৰ জৰীপ কৰি মাটি পট্টা দিয়া হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ভূমিহ ৰাজহ নীতিৰ আধাৰত ভূমিহীন বা খহনীয়াত ক্ষতিগ্ৰস্ত হৈ মাটি ভেঁটি হেৰুওৱা লোকক চৰত মাটিৰ পট্টা দিয়াৰ লগতে গৃহ নিৰ্মাণ কৰি দিয়াৰো আঁচনি ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছে বুলি ৰাজহ মন্ত্ৰী শ্ৰীমহন্তই সদনত উল্লেখ কৰে। এই আঁচনিৰ বাবে ব্যয় হোৱা পুঁজিৰ ৯০ শতাংশ কেন্দ্ৰীয় চৰকাৰে আৰু ১০ শতাংশ ৰাজ্য চৰকাৰে বহন কৰিব বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০০০

গোৱাৰ পানাজীত অনুষ্ঠিত ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ- IFFI-ৰ কালি সামৰণি পৰে। ড° শ্যামাপ্ৰসাদ মুখাৰ্জী ষ্টেডিয়ামত অনুষ্ঠিত আকৰ্ষণীয় সামৰণি অনুষ্ঠানত উপস্থিত থাকি গোৱাৰ মুখ্যমন্ত্ৰী প্ৰমোদ সাৱন্তে কয়, যে প্ৰতি বছৰৰ দৰে এইবাৰো IFFIত সৃষ্টিশীল মনৰ বিভিন্ন কুশীলৱসকলৰ সমাৱেশ ঘটে। এই সমাৱেশে চিন্তা আৰু সৃষ্টিশীলতাৰ অভূতপূৰ্ব সমন্বয় সাধন সম্ভৱ কৰিছে বুলিও শ্ৰীসাৱন্তে উল্লেখ কৰে।

ভাৰতীয় চিনেমাৰ কিংবদন্তি অভিনেতা ৰজনী কান্তৰ ৫০ বছৰীয়া অভিনয় জীৱনক মহোৎসৱস্থলীত বিশেষ সমাদৰ প্ৰদৰ্শন কৰা হয়। চিনেমাৰ ব্যাপ্তি আৰু জীৱন সন্দৰ্ভত মন্তব্য কৰি দাদা চাহেব ফালকে বঁটা বিজয়ী বৰ্ষীয়ান অভিনেতাজনে এইদৰে কয়।

*-বাইট-*

মহোৎসৱৰ কালি অন্তিম দিনা ফ্ৰান্স, ছিংগাপুৰ আৰু থাইলেণ্ডৰ যুটীয়া প্ৰযোজনাৰে নিৰ্মিত থাই ভাষাৰ চিনেমা এ ইউজফুল ঘোষ্ট প্ৰদৰ্শন কৰা হয়। আছলেই মেফেয়াৰৰ স্কীন অব্ য়ুথ চিনেমাখনক চলিত বৰ্ষৰ IFFI-ৰ শ্ৰেষ্ঠ চিনেমাৰ সোণালী ময়ূৰৰ বঁটা আগবঢ়োৱা হয়। শ্ৰেষ্ঠ পৰিচালকৰ ৰূপালী ময়ূৰ গোন্ধাল চিনেমাৰ বাবে পৰিচালক সন্তোক দাভাকাৰলৈ আগবঢ়োৱা হৈছে। এৰিক শ্বেনছনক ইউনোস্কৰ গান্ধী বঁটা ছেফ হাউছ ছবিখনৰ বাবে আগবঢ়োৱা হয়। সামৰণি উপলক্ষে আয়োজিত বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানত অসমৰ ৰণজিৎ গগৈৰ নেতৃত্বত এটা বিহু দলে অংশ লয়।

০০০০০০০

গুৱাহাটীৰ কাহিলিপাৰাস্থিত জ্যোতি চিত্ৰবনত আজি আৰু কাইলৈ দুদিনীয়া কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ অনুষ্ঠিত হ'ব। ২০১৭ চনৰ পৰা প্ৰতি বছৰে উত্তৰ-পূব ভাৰতৰ আগশাৰীৰ সাংস্কৃতিক অনুষ্ঠান তথা বিশ্ব সংবাদ কেন্দ্ৰৰ সহযোগী চলচ্চিত্ৰমে ৰাষ্ট্ৰীয় চুটি ছবি আৰু তথ্য চিত্ৰ মহোৎসৱ অনুষ্ঠিত কৰি আহিছে। এইবাৰৰ মহোৎসৱৰ মূল বিষয় হৈছে- **আমাৰ ঐতিহ্য আমাৰ গৌৰৱ**। উত্তৰ-পূৰ্বাঞ্চলৰ চলচ্চিত্ৰ নিৰ্মাতাসকলৰ মাজত এই মহোৎসৱৰ প্ৰতিযোগিতা সীমাবদ্ধ থাকিব। মহোৎসৱত ৩০ খন চুটি  ছবি আৰু তথ্য চিত্ৰ প্ৰদৰ্শন কৰা হ'ব। ভাৰত বালাৰ **অহম ভৰতম** উদ্বোধনী আৰু পীযুষ ঠাকুৰৰ **দ্যা ফাৰ্ষ্ট ফিল্ম** সামৰণি ছবি হিচাপে প্ৰদৰ্শিত হ'ব। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি মন যায় ছবিখনৰো বিশেষ প্ৰদৰ্শনৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বিশিষ্ট সমাজসেৱক ড° সুনীল মহান্তিয়ে আজি কিছুসময় পাছত এই মহোৎসৱৰ উদ্বোধন কৰিব। সামৰণি অনুষ্ঠানত ৰাজ্য বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়াৰ লগতে ভালেমান গণ্যমান্য লোক উপস্থিত থাকিব। মহোৎসৱত ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বিশেষ শ্ৰদ্ধাঞ্জলিৰো আয়োজন কৰা হৈছে।

০০০০০০০

সমাগত ৰাজ্য বিধান সভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে অহা পহিলা ডিচেম্বৰৰ পৰা আকাশবাণী গুৱাহাটী যোগে প্ৰচাৰিত বাতৰি আৰু বাতৰি বিভাগৰ কেতবোৰ অনুষ্ঠানৰ সময়ৰ কিছু সালসলনি কৰা হৈছে। এই অনুসৰি দিনৰ ১১ বজাত প্ৰচাৰিত মুখ্য বাতৰি এক ডিচেম্বৰৰ পৰা পাঁচ মিনিটৰ বাতৰি বুলেটিন হিচাপে প্ৰচাৰ কৰা হ'ব। দিনৰ ১২ বাজি পাঁচ মিনিটত প্ৰচাৰ কৰা বাতৰিৰ সময় ১০ মিনিটলৈ বৃদ্ধি কৰা হ'ব। একেদৰে তিনি বজাৰ মুখ্য বাতৰিৰ পৰিৱৰ্তে পাঁচ মিনিটৰ বুলেটিন প্ৰচাৰ কৰা হ'ব। বিয়লি পাঁচ বাজি ১৫ মিনিটৰ আৰু সন্ধিয়া ছয় বজাৰ বাতৰি এতিয়া পাঁচ মিনিটৰ পৰিৱৰ্তে ১০ মিনিটৰ বাবে প্ৰচাৰ কৰা হ'ব। প্ৰতি মঙলবাৰে এক বাজি ২০ মিনিটত প্ৰচাৰ কৰা প্ৰাসংগিকৰ উপৰি প্ৰতিদিনে বিয়লি তিনি বাজি পাঁচ মিনিটৰ পৰা তিনি বাজি ১৫ মিনিটলৈ প্ৰাসংগিক প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো প্ৰতিনিশা ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২৫ মিনিটলৈ পুনৰ প্ৰচাৰ কৰা হ'ব। ইপিনে প্ৰতি সোমবাৰে প্ৰচাৰিত ক্ৰীড়া বাৰ্তাৰ সময়

পাঁচ মিনিট হ্ৰাস কৰা হৈছে। এই অনুসৰি অহা সোমবাৰৰ পৰা সন্ধিয়া ৬ বাজি ৪০ মিনিটৰ পৰা ৬ বাজি ৪৫ মিনিটলৈ ক্ৰীড়া বাৰ্তা প্ৰচাৰ কৰা হ'ব।

0000000

আকাশবাণী গুৱাহাটীৰ মহাবাহু শাখাৰ নৰকাসুৰ পাহাৰত থকা ১০ কিলোৱাট শক্তিসম্পন্ন এফ এম ট্ৰান্সমিটাৰটোৰ এণ্টেনা উন্নীতকৰণৰ কাম সম্পূৰ্ণ হৈছে। আকাশবাণীৰ অভিযন্তাসকলে ২৪ নৱেম্বৰৰ পৰা যোৱা ৫ দিনে প্ৰতিনিশাই কাম কৰি এই কাম আজি পুৰা সম্পূৰ্ণ কৰে। বৰ্তমান এই ট্ৰান্সমিটাৰটোৰ পৰা প্ৰায় সম্পূৰ্ণ শক্তিত প্ৰসাৰণ চলাই থকা হৈছে। এতিয়াৰে পৰা মহাবাহু শাখাৰ এফ এম প্ৰসাৰণ কামৰূপ মহানগৰ, কামৰূপ, দৰং, ওদালগুৰি, তামুলপুৰ আৰু মৰিগাঁও জিলাৰ লগতে বাক্সা, বৰপেটা, নগাঁও, গোৱালপাৰা আৰু শোণিতপুৰ জিলাৰ বিস্তীৰ্ণ অঞ্চলৰ শ্ৰোতায়ো উন্নত মানত শুনিবলৈ পাইছে।

0000000

আকাশবাণী গুৱাহাটীৰ ৰিক্ৰিয়েচন ক্লাবৰ উদ্যোগত সুধাকণ্ঠ ভূপেন হাজৰিকা আৰু ৰাইজৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ গীতৰ সমূহীয়া পৰিৱেশনৰ বাবে কাইলৈ আকাশবাণী গুৱাহাটীৰ চৌহদৰ খেলপথাৰত এটা বৰ্ণাঢ্য অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কাইলৈ দিনৰ ১১ বজাৰ পৰা হ'বলগীয়া এই অনুষ্ঠানত আকাশবাণী চৌহদৰ বাসিন্দাসকলৰ লগতে বহু কেইগৰাকী আমন্ত্ৰিত শিল্পীয়ে দুয়োগৰাকী শিল্পীৰ গীত পৰিৱেশন কৰিব।

0000000

**লক্ষ্ণৌত অনুষ্ঠিত চৈয়দ মোদী আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাৰ ছেমি ফাইনেলত ভাৰতীয় শ্বাটলাৰ তনৱী শৰ্মা, উন্নতি হুডা আৰু কিডাম্বী শ্ৰীকান্তে ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে। মহিলাৰ ছিংগলছত ১৬ বছৰীয়া শ্বাটলাৰ তনৱী শৰ্মাই কোৱাৰ্টাৰ ফাইনেলত হংকঙৰ চিন য়ান হেপি ল'ক ২১-১৩ , ২১-১৯ পইণ্টত পৰাস্ত কৰে। কোৱাৰ্টাৰ ফাইনেলত তেওঁ জাপানৰ হিনা একেচিৰ সন্মুখীন হব। উন্নতি হুডাই নিজ দেশৰ ৰক্ষিতা ৰামৰাজক ২১-১৫, ১৩-২১, ২১-১৬পইণ্টত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে।**

0000000

## *News Paper Review*

ৰাজ্যৰ চাহ বাগিচাৰ ৩ লাখ ৩৩ হাজাৰ পৰিয়ালক শীঘ্ৰেই মাটিৰ পট্টা প্ৰদান কৰাৰ লগতে গৃহ নিৰ্মাণৰ বাবেও সাহায্য প্ৰদান কৰা হব। চাহ শ্ৰমিকক ভূমিৰ অধিকাৰ প্ৰদান সম্পৰ্কীয় এখন বিধেয়ক কালি বিধানসভাত গৃহীত হয়। এই বাতৰি **অসমীয়া প্ৰতিদিন**,**আমাৰ অসম**,**দি আছাম ট্ৰিবিউন** কাকতকে ধৰি আজি প্ৰকাশিত প্ৰায়বোৰ কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিৰে **নিয়মীয়া বাৰ্তা** কাকতৰ শিৰোনাম- দুশ বছৰত ইতিহাস গঢ়ি চাহ শ্ৰমিকলৈ ভূমিপট্টা। এই বিধেয়কক কেন্দ্ৰ কৰি বাগিচাই বাগিচাই আনন্দৰ পৰিবেশ বিৰাজ কৰাৰ বাতৰি **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

ৰাজ্যত থকা চৰৰ মাটিৰ পট্টাও প্ৰদান কৰা হ'ব আৰু ইয়াৰ বাবে ৰাজহ বিভাগে ইতিমধ্যে জৰীপ আৰম্ভ কৰিছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিধানসভাত প্ৰকাশ কৰাৰ বাতৰি **দ্য চেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি বিধানসভাত জনজাতিকৰণৰ প্ৰতিবেদন দাখিল কৰা হ'ব। এয়া **দৈনিক জনমভূমি** কাকতৰ বাতৰি।

ৰাজ্যৰ স্বাস্থ্য বিভাগত ৯ হাজাৰ ৮০৮ টা পদ খালী হৈ আছে বুলি কালি সদনত স্বাস্থ্য মন্ত্ৰী অশোক সিংঘালৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে মন্তব্য কৰাৰ বাতৰি **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব দিছে।

চলিত বৰ্ষৰ জুলাইৰ পৰা ছেপ্তেম্বৰ মাহলৈকে দেশৰ মুঠ ঘৰুৱা উতপাদন, জিডিপি ৮ দশমিক ২ লৈ বৃদ্ধি হৈছে। **দ্য টাইমছ অব ইণ্ডিয়া** কাকতে এই বাতৰিক শীৰ্ষস্থান দিছে।

একেটা বাতৰি **দৈনিক অগ্ৰদূত** কাকতেও **জিডিপি ৮ দশমিক ২ শতাংশলৈ বৃদ্ধিৰ সময়তে টকাৰ মুল্য হ্ৰাসৰ সৰ্বকালৰ অভিলেখ ভংগ** শিৰোনামেৰে শীৰ্ষস্থান দিছে।

এতিয়া আহক আমি পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ...।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

**সমাপ্ত**